بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡم   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡم   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জু’মা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ১৭ মাৰ্চত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আলজজায়েৰত আজিকালি অত্যাচাৰৰ মাত্ৰা বাঢ়ি গৈ আছে। পুলিচ বাহিনীয়ে আহমদী সকলৰ হুলচাঁচ কৰাৰ চেষ্টা চলাইছে। আদালতে নিজৰ ইচ্ছানুসৰি ৰায় প্ৰদান কৰি আহমদী সকলক জেলত ভৰাই আছে।

যি সকলে অত্যাচাৰ চলাই আছে, তেওঁলোকে মনত ৰাখিব যে আল্লাহ তায়লা নিপীড়িত সকলক চাই আছে আৰু নিপীড়িতৰ দোৱা আল্লাহ তায়লাৰ আৰচলৈ প্ৰেৰণ হৈ আছে, সিহঁতৰ আদালতে যিহেতু অন্যায় সিদ্ধান্ত গ্ৰহণ কৰিছে, গতিকে সেই অত্যাচাৰী সকলৰ নে জগত নে আখেৰাত একোৱে নেথাকে।

ইছলামৰ বিৰুধী শক্তি সমুহক যদি কোনোবাই পৰাভূত কৰিবলৈ চেষ্টা কৰি আছে বা কৰিব পাৰে তেন্তে সেয়া একমাত্ৰ জমাত আহমদীয়াই কৰিব পাৰিব। অন্যান্য মুছলমান সকলে ইছলামৰ সৌন্দৰ্য্য প্ৰকাশ কৰিবলৈ আৰু তাৰ বাৰ্তা প্ৰেৰণ কৰাৰ কামেই কৰা নাই। সিহঁতৰ মাজত সেই সংগঠনেই নাই। নে সিহঁতৰ ওচৰত সেই শিক্ষা আছে।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ; আজিকালি আমি দেখিবলৈ পাই আছো যে পশ্চিমীয়া আৰু উন্নত দেশবোৰত সোঁপন্থী ৰাজনৈতিক জমাত, অথবা বংশগত নাইবা জাতিগত ৰাজনীতিবিদ আৰু দলগঠন বৰকৈ বাঢ়ি গৈ আছে আৰু গুৰুত্বও বাঢ়ি গৈ আছে। বিভিন্ন বিভাগে লিখে যে বাওঁপন্থী চৰকাৰৰ ইমিগ্ৰেশ্বন পলিচিৰ কাৰণে এই বোৰ সকলো হৈ আছে আৰু বহুতো কাৰণ ইয়াৰ লগত জড়িত হৈ আছে। কিন্তু এই সকলো বোৰ কথাৰ জগৰ আহি মুছলমান সকলৰ ওপৰত পৰে যে মুছলমান সকলক এই দেশলৈ অহাটো বন্ধ কৰিব লাগে কাৰণ এওঁলোকে আমালোকৰ লগত নিমিলে আৰু পৃথক ভাৱে থাকে। তেওঁলোকৰ ধাৰণা যে মুছলমান সকলে এটা অত্যাচাৰী ধৰ্মৰ ওপৰত চলে বা আমল কৰে। নাইবা তেওঁলোকে কয় যে যদি এওঁলোকে আমাৰ সৈতে ইয়াত থাকিব বিচাৰে তেন্তে নিজৰ ৰীতি-নীতি এৰি আমালোকৰ ৰীতি-নীতি, চাল-চলন নিজৰ কৰি লব লাগিব। যদি এনেকুৱা নকৰে তেন্তে তাৰ অৰ্থ হ’ল যে এওঁলোকে আমাৰ সৈতে মিলিব নিবিচাৰে। যেতিয়া নিজৰ স্বাধীনতা আৰু ধৰ্মীয় মৰ্যদা অক্ষুন্ন ৰাখে বা ৰাখিব বিচাৰে তেতিয়া বুজায় যে এওঁলোক আমাৰ দেশৰ বাবে বিপদজ্জনক হ’ব পাৰে। মূৰ্খতা পূৰ্ণ আচৰিত কথা এয়া যে মুছলমান সকলৰ মছজিদৰ মিনাৰ তেওঁলোকৰ বাবে বিপদজ্জনক। মুছলমান মহিলাৰ আবুৰও আচ্ছাদন তেওঁলোকৰ বাবে বিপদজ্জনক। মুছলমান মহিলাই পুৰুষৰ সৈতে মুচাফা নকৰাটো বা পুৰুষে মহিলাৰ সৈতে মুচাফা নকৰাটো তেওঁলোকৰ বাবে বিপদজ্জনক। বৃটেইনত দুই এজন ৰাজনৈতিক নেতাই হয়তো এনে ধৰণৰ কথা কয় কিন্তু অন্যান্য দেশবোৰত এই বিষয়ে বহুত চিঞৰ-বাখৰ হৈ থাকে আৰু নিতৌ ৰাজনৈতিক নেতা সকলৰ ভাষণ শুনিবলৈ পোৱা যায়। তেওঁলোকে কয় যে, মুছলমান সকলে যে আমাৰ বাবে বিপদজ্জনক সেয়া প্ৰমাণ কৰে মুছলমান দেশ সমুহৰ অৰাজকতা, অত্যাচাৰ আৰু বেআইনী পৰিস্থিতিয়ে। আমালোকৰ দেশতও মুছলমান সকলৰ ফালৰ পৰা জুলুম উৎপীড়নৰ আক্ৰমন বেছি হৈ আছে। যিয়েই নহওঁক এইখিনি কথাৰ বাস্তৱতা অৱশ্যে আছে যে মুছলমান দেশবোৰত উগ্ৰবাদ আছে। আনহাতে উগ্ৰপন্থী দল আৰু মুছলমান দেশৰ বিদ্ৰোহী দলবোৰে অস্ত্ৰশস্ত্ৰ পশ্চিমীয়া দেশবোৰৰ পৰাই পাই আছে। তেওঁলোকে নিজৰ উদ্দেশ্য সাধন আৰু ইছলামৰ বিৰুদ্ধে হিংসা প্ৰকাশ কৰাৰ বাবে কিছুমান শক্তিৰ দ্বাৰা অতি সাৱধানেৰে এই উগ্ৰপন্থী দলবোৰ গঠন কৰিছে। দুৰ্ভাগ্য এয়া যে মুছলমান সকলৰ যেতিয়াই কোনো অনিষ্ট সাধন হৈছে, সেয়া একমাত্ৰ মুছলমান সকলৰ কাৰ্য্য, ষড়যন্ত্ৰ, বিদ্ৰোহ আৰু অধিকাৰ খৰ্ব অথবা জাতিয় স্বাৰ্থৰ বিৰুদ্ধে নিজা স্বাৰ্থ ৰূপায়ণ কৰাৰ বাবেই হৈছে। ইছলামৰ প্ৰকৃত শিক্ষা আৰু নিজৰ সৃষ্টিৰ উদ্দেশ্য পাহৰি যোৱাৰ বাবেই ক্ষতি হৈছে। মুছলমানে নিজৰ আধ্যাত্মিক অৱস্থা উন্নতি আৰু আল্লাহ তায়লা আৰু

ৰছুল (ছাঃ) ৰ নির্দেশ মানি চলাৰ সলনি জাগতিক লোভ মোহত আৱদ্ধ হৈ পৰিছে। জাগতিক আৰাম, শাসন ভাৰ হস্তগত কৰাৰ উদ্দেশ্য, অন্যান্য ৰাজনৈতিক নেতা আৰু উলামা সকলে অগ্ৰাধিকাৰ লাভ কৰিছে। উলামা সকলে উম্মতক আৰু বেছি অন্ধকাৰৰ গহ্বৰ লৈ ঠেলি দিবলৈ ধৰ্মক ঢাল বনাই লৈছে। বৰ্তমান যুগৰ দুৰঅৱস্থা গমি চোৱাৰ সলনি যদি আল্লাহ তায়লাৰ প্ৰদত্ত প্ৰতিশ্ৰুতি অনুসৰি সহায়ৰ প্ৰয়োজনীয়তাক উপলব্দি কৰি এনে দৰে চিন্তা কৰিলেহেঁতেন যে আমি সেইজন মনীষিক বিচাৰো যাৰ বিষয়ে আল্লাহ তায়লা আগতেই খবৰ দিছে যে এজন ব্যাক্তিয়ে (শেষ যুগত) ঈমান সপ্তষি মণ্ডলৰ পৰা নমাই আনিব আৰু ইছলামৰ বুনিয়াদ আৰু মুছলমান সকলৰ ঈমান দ্বিতীয়বাৰ প্ৰতিষ্ঠা কৰিব। এই লোক সকলে কেৱল এই কথাখিনিৰ প্ৰতিয়ে উদাসীন নহয় বৰং আল্লাহ তায়লাৰ প্ৰেৰিত ব্যাক্তিৰ বিৰুধীতাৰ প্ৰতি ইমানেই আগবাঢ়ি গৈছে যে তাৰ সীমা নাই। লগতে তাৰ মান্যকাৰী সকলৰ ওপৰত অত্যাচাৰৰ সীমা নোহোৱা হৈছে। আলজজায়েৰৰ আহমদী সকলক আদালতে নিজৰ ইচ্ছানুয়ায়ী কাৰাগাৰলৈ প্ৰেৰণ কৰি আছে ইয়াৰ একমাত্ৰ কাৰণ হ'ল তেওঁলোকে কয় যে আমি সেই আহিবলগীয়া ইমামক মানি লৈছো আৰু আমি এই কাৰণেই মানি লৈছো যে আমালোকক আল্লাহ তায়লা আৰু ৰছুল (ছাঃ) য়ে মানিবলৈ নিৰ্দেশ দিছে। যি সকলক শাস্তি বিহা হৈছে অথবা শাস্তিৰ বাবে অপেক্ষাত ৰৈ আছে আৰু পুলিচৰ জিম্মাত আছে অথবা যি সকলক সোধ- পোচ কৰা হৈ আছে এওঁলোকৰ সংখ্যা প্ৰায় দুশৰ ওপৰত। এই সকল লোকে ইমানবোৰ অত্যাচাৰ সহ্য কৰাৰ পিছতো প্ৰকাশ কৰি আছে যে যিমানেই নিৰ্যাতিন আমালোকৰ ওপৰত নকৰক কিয় আমি নিজৰ ঈমান এৰি পিছুৱাই নেযাওঁ। কিন্তু যি সকলে অত্যাচাৰ চলাই আছে, তেওঁলোকে মনত ৰাখিব যে আল্লাহ তায়লা নিযাতিত সকলক চাই আছে আৰু নিপীড়িতৰ দোৱা আল্লাহ তায়লাৰ আৰচলৈ প্ৰেৰণ হৈ আছে, সিহঁতৰ আদালতে যিহেতু অন্যায় সিদ্ধান্ত লৈ লৈছে গতিকে সেই অত্যাচাৰী সকলৰ নে জগত নে আখেৰাত একোৱে নাথাকিব। নিজৰ চৰকাৰ আৰু শক্তিৰ বলত আহমদী সকলৰ ওপৰত অত্যাচাৰ চলাই আৰু ইছলামৰ নামত অন্যায় কাৰ্য্য কৰি তেওঁলোকে নিজৰ যি কৃতকাৰ্য্যতা বুলি ভাৱি লৈছে, মনত ৰাখিব তেওঁলোকেওঁ এদিন আল্লাহ তায়লাৰ ওচৰত উপস্থিত হ'ব লাগিব। তাত এই বোৰ জুলুম অত্যাচাৰৰ হিচাপ দিব লাগিব। মুছলমান সকলৰ অৱস্থাও এতিয়া বৰ আচৰ্য্যজনক, এফালে নামধাৰী মৌলবী সকলৰ দল, অথবা উগ্ৰবাদী সকলৰ দল, যি সকলে চাৰিওফালে ইছলামৰ নামত ফছাদ বঢ়াই তুলিছে আন ফালে সেই লোক সকল, যি সকলে অসঙ্গগত কাৰ্য্য আৰু পাৰ্থিৱিতাৰ প্ৰভাৱত ধৰ্মৰ সৈতে সম্পক ছেদ হৈ পৰিছে। এনেদৰে কিছুমান ৰাজনীতিবিদ শাসন ভাৰ চলাই আছে, তেওঁলোকে যদিও মৌলবী সকলৰ লগত একমত হৈ নাথাকে আমি নিজৰ ক্ষমতা হেৰুৱাৰ ভয়ত নিৰৱ হৈ থাকো যে কিজানি মৌলভী সকলে লোকক আমাৰ বিৰুদ্ধে উচটনি দিয়ে। যিয়েই নহওক মুছলমান সকলৰ প্ৰত্যেকটো গ্ৰোপ যি সকলে আল্লাহ তায়লাৰ প্ৰেৰিত জনক অস্বীকাৰ কৰে তেওঁলোক আল্লাহ তায়লা আৰু তাৰ ৰছুল (ছাঃ) ৰ নিৰ্দেশৰ পৰা আতৰি গৈছে। এনে অৱস্থাত আহমদী সকলে চিন্তা কৰা উচিত যে তেওঁলোকে যিহেতু যুগ ইমামক মানি লৈছে সেয়ে তেওঁলোকৰ ওপৰত ডাঙৰ দায়িত্ব অৰ্পিত হৈছে। হজৰত মছিহ মাওউদ (আঃ) য়ে আহি কৈছে যে ; তোমালোকে আল্লাহ তায়লাৰ আদেশ অনুসৰি চলিব লাগিব আৰু তাৰ প্ৰেৰিত ৰছুলৰ আনুগত্য কৰিব লাগিব। নিজৰ ঈমান নষ্ট নকৰিবা, ফছাদৰ জন্ম নিদিবা। লগতে ইয়াৰ ওপৰত গুৰুত্ব দিবা যে আল্লাহ তায়লাৰ পয়গাম জগতবাসীৰ মাজত বিস্তাৰ কৰিব লাগিব যাতে তৌহিদ প্ৰতিষ্ঠা হয়। আল্লাহ তায়লা কোৰ'আন কৰিমত আমালোকক যি বাটৰ সন্ধান দিছে সেই অনুসৰি খোজ দিয়া আৰু সেয়া হ'ল এয়া যে ;

ادْعُ إِلَىٰ سَبِيلِ رَبِّكَ بِالْحِكْمَةِ وَالْمَوْعِظَةِ الْحَسَنَةِ ۖ وَجَادِلْهُم بِالَّتِي هِيَ أَحْسَنُ ۚ إِنَّ رَبَّكَ هُوَ أَعْلَمُ بِمَن ضَلَّ عَن سَبِيلِهِ ۖ وَهُوَ أَعْلَمُ بِالْمُهْتَدِينَ ـ

অৰ্থাৎঃ- নিজৰ পালন কৰ্ত্তাৰ বাটৰ ফালে বিবেকৰ সৈতে আৰু ভাল উপদেশৰ সৈতে মাতি দিয়া আৰু তেওঁলোকৰ সৈতে এনেকুৱা প্ৰমানৰ সৈতে কথা কোৱা যি আটাইতকৈ উত্তম। গতিকে তবলিগৰ বাবে, ইছলামৰ মনোৰম শিক্ষা বিস্তাৰৰ বাবে, ইছলামি আদেশ নিষেধ প্ৰচাৰৰ বাবে প্ৰমাণৰ সৈতে কথা কোৱাৰ প্ৰয়োজন আছে। এনেদৰে নহয় যেনেকৈ আজি কালি নামধাৰি উলামা সকলে নাইবা উগ্ৰবাদী দলবোৱে কৰি আছে। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে

وَجَادِلْهُم بِالَّتِي هِيَ أَحْسَنُ ـ আয়াতৰ মূলভাৱ এয়া নহয় যে আমি ইমানেই কোমলতা প্ৰদৰ্শন কৰো যে কথা লুকুৱাই

বিৰুধী কথা এটা স্বীকাৰ কৰি লওঁ। গতিকে বিবেকৰ অৰ্থ এয়া নহয় যে ভীত হোৱা দেখুৱায় বৰং ন্যায় কথা বিবাদৰ সৃষ্টি নকৰাকৈ কোৱাটো হ'ল বিবেক।

হজৰত মছিহ মাওউদ (আঃ) য়ে আৰু উল্লেখ কৰে যে তুমি যেতিয়া কাৰোবাৰ সৈতে বাদানুবাদ কৰিবা তেতিয়া বিবেক আৰু নেক নচিহতেৰে কৰিবা যি নম্ৰ আৰু সন্মানীয় হয়। এয়া সচাঁ যে উক্ত যুগত বেছি ভাগ মূৰ্খ আৰু কম আকল মৌলবী সকলে নিজৰ জ্ঞানৰ পৰিসৰেৰে এয়া ভাৱে যে জিহাদ আৰু তৰোৱালেৰে ধৰ্ম প্ৰচাৰ কৰাটো পূণ্য কাম। এনেদৰে সিহঁতে লুকাই-পলাই শত্ৰুতাৰ মাজত জীৱন-যাপণ কৰি আছে। কিন্তু দৰাচলতে তেওঁলোকৰ এয়া এটা ডাঙৰ ভুল ধাৰণা। সেয়ে সিহঁতৰ ভুলৰ বাবে ইলাহি কিতাপৰ ওপৰত কোনো ধৰণৰ দোষ আহিব নোৱাৰে। উল্লেখ কৰে যে সত্যই কেতিয়াও কোনো জোৰ জৱৰদস্তিৰ সহায় নিবিচাৰে বৰং বল প্ৰয়োগৰ সময়ত সত্যৰ আশ্ৰয় এনেদৰে লয় যে আধ্যাত্মিক প্ৰমাণ আদি দুৰ্বল। কিয়, সেই খোদা যি জনাই পাক ৰছুলে কৰিম (ছাঃ) ৰ ওপৰত অহি অৱতীৰ্ণ কৰিছিল যে فاصبر كما صبر اولوالعزم۔ অৰ্থাৎঃ- তুমি এনেকুৱা ধৈৰ্য্য ধাৰণ কৰা যি সকলো প্ৰধানতম নবী সকলৰ সমান হয়। অৰ্থাৎ সকলো নবীৰ ধৈৰ্য্য় ক্ষমতা যদি এঠাইত জমা কৰা যায় তথাপি যেন সেয়া তোমাৰ ধৈৰ্য্যৰ পৰিমাণতকৈ বেছি নহয়। আকৌ উল্লেখ কৰে যে لا اكراه فى الدين۔ অৰ্থাৎঃ ধৰ্মত বল প্ৰয়োগ নাই। আকৌ কয় যে ادع الى سبيل ربك بالحكمة والموعظة الحسنة۔ অৰ্থাৎঃ- নেক আৰু পৱিত্ৰ ভাষণেৰে বাদানুবাদ কৰিবা, কঠোৰতা অৱলম্বন কৰি নহয়। আকৌ উল্লেখ কৰে যে والكاظمين الغيظ والعافين عن الناس۔ অৰ্থাৎঃ- মোমিন হ'ল সেইজন, যি জনে ক্ৰোধ দমন কৰি ৰাখে আৰু অত্যাচাৰী লোকৰ উৎপীড়ণক ক্ষমা কৰি দিয়ে। অযথা কথাৰ উত্তৰ অযথা কথাৰে দিব নালাগে বা নিদিয়ে। খোদা তায়লা এনেকুৱা শিক্ষা দিব পাৰেনে যে তোমালোকে ধৰ্ম অস্বীকাৰ কাৰীক হত্যা কৰিবা আৰু সিহঁতৰ ধনমাল লুণ্ঠন কৰিবা আৰু ঘৰ-দুৱাৰ ভাঙি পেলাবা বৰং ইছলামৰ প্ৰাথমিক অৱস্থাত আল্লাহ তায়লাৰ নিৰ্দেশ অনুসৰি যি কাৰ্য্য কৰা হৈছিল সেয়া মাত্ৰ ইখিনি আছিল যে যি সকলে অত্যাচাৰী ৰূপে তৰোৱাল হাতত লৈছিল সেই তৰোৱালৰ দ্বাৰাই সিহঁতে নিহত হৈছিল অৰ্থাৎ যেনে কাম তেনে ফল পাইছিল। উল্লেখ কৰিছে যে এয়া ক'ত লিখা আছে যে ধৰ্ম অস্বীকাৰ কৰা জনক হত্যা কৰি পেলোৱা। এয়া হ'ল অজ্ঞ মৌলবী আৰু পাদ্ৰী সকলৰ ধাৰণা যাৰ কোনো বাস্তৱতা নাই।

গতিকে ইছলামৰ যি শিক্ষা তাৰ ওপৰত বেলেগ মুছলমান সকলে আমল নকৰে সেই বাবেই যে সিহঁতৰ ইছলাম প্ৰচাৰৰ হেপাহ নাই। অথবা এই কাৰণে যে যেনেকৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে ; বোধহীন অজ্ঞ মৌলবী সকল। কিন্তু আমি মুছলমান সকলক আৰু অমুছলমান সকলকও এই শিক্ষা প্ৰদান কৰিব লাগিব। গতিকে নিজৰ নিজৰ চুবাত নিজ নিজ সীমাৰ ভিতৰত প্ৰত্যেকজন আহমদীয়ে এই ফালে মনযোগ দিব লাগিব।

সাধাৰণতে এনে অৱস্থাত আমালোকৰ প্ৰতিযোগীতা বাঢ়ি গৈ আছে সেয়া প্ৰত্যেক আহমদীয়ে এই বিষয়ে নিজৰ দায়িত্ব উপলব্দি কৰা উচিত। প্ৰত্যেকৰে কাৰ্য্য আৰু আমল ইছলামৰ চানেকি হ'ব লাগিব। যদি তবলিগ কৰি থকা নাই তথাপি তাৰ কথা আৰু কাৰ্য্য যেন ইছলাম প্ৰচাৰ কৰোঁতা হয়। আকৌ তবলিগৰ ক্ষেত্ৰত আমি হজৰত আলি (ৰাঃ) ৰ বিবেক সম্পন্ন এই কথাখিনি মনত ৰখা উচিত। তেখেত (ৰাঃ) য়ে কৈছে যে ; হৃদয়ৰ (মনৰ) কিছুমান ইচ্ছা আৰু আগ্ৰহ আছে যাৰ বাবে এওঁ কোনো কোনো সময়ত কথা শুনিবলৈ সাজু থাকে আকৌ কোনো কোনো সময়ত শুনিবলৈ স্পৃহা নাথাকে। কেতিয়াবা মানুহ কোনো এটা কথা শুনাৰ বাবে প্ৰস্তুত থাকে কেতিয়াবা আকৌ প্ৰস্তুত নাথাকে। গতিকে মন বুজি আলোচনা কৰিবৰ চেষ্টা কৰিবা। চাই লবা কোন সময়ত কেনে পৰিস্থিতি আৰু সেই অনুসৰি কথা পাতিবা আৰু সেই সময়ত নিজৰ কথা কবা যেতিয়া তেওঁ সেই কথাবোৰ শুনিবলৈ সাজু আছে। সেয়ে এই কৌশল অৱলম্বণ কৰা উচিত।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ; বৰ্তমানে অষ্ট্ৰেলিয়াত ইছলামৰ এটা শত্ৰু দলে ইমান খিনি আগবাঢ়ি গৈছে যে যদি মুছলমান পূৰুষ সকলে মহিলাৰ সৈতে আৰু মহিলাই পুৰুষৰ লগত মুচাফা নকৰে তেন্তে তেওঁলোকক দেশৰ পৰা বহিস্কাৰ কৰিব লাগে। এই ক্ষেত্ৰত বিবেক বুদ্ধিৰে নিজৰ নিজৰ সীমাত প্ৰত্যেক আহমদীয়ে কাম কৰা উচিত। কিছুমান লোক আছে তেওঁলোকে আবুৰ ও আচ্ছাদন বিৰুধী, কিছুমান দেশত মছজিদৰ বিৰুধী, আৰু কিছুমানত মিনাৰ বিৰুধী। হলেণ্ডৰ এজন ৰাজনীতিবিদে কয় যে ; সকলো মুছলমানক দেশৰ পৰা বহিস্কাৰ কৰিব লাগে। এখন

নিৰ্দিষ্ট দেশৰ মুছলমান সকলক দেশৰ পৰা বহিস্কাৰ কৰিব লাগে। আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে কিছুমান মুছলমান দেশৰ লোক সকলৰ ওপৰত অধ্যাদেশ জাৰি কৰিব বিচাৰে। যিয়েই নহওক এয়া হ'ল ইছলাম বিৰুধী চিন্তা ধাৰাৰ ফলাফল। এই দেশবোৰত য'ত ইছলামৰ বিৰুধী শক্তি সমুহ মুৰ দাঙিবলৈ লৈছে তাক পৰাভূত কৰিবলৈ যদি কোনোবাই চেষ্টা কৰিব পাৰে তেন্তে সেয়া একমাত্ৰ জমাত আহমদীয়াই কৰিব পাৰে । অন্যান্য মুছলমান সকলে ইছলামৰ সৌন্দৰ্য্য প্ৰকাশ কৰিবলৈ আৰু ইয়াৰ বাৰ্তা প্ৰচাৰ কৰাৰ কামেই কৰা নাই। সিহঁতৰ মাজত সেই সংগঠনেই নাই। নে সিহঁতৰ ওচৰত সেই শিক্ষা আছে। এই কাম এতিয়া হজৰত মছিহ মাওউদ (আঃ) ৰ সৈতে সংলগ্ন হোৱা সকলৰ জড়িয়তে সমাধা হ'বলৈ আছে। গতিকে এই কথাবোৰৰ গুৰুত্ব আমি বুজিব লাগিব।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে ; ইছলামৰ ৰক্ষণা বেক্ষণ আৰু সত্যতা প্ৰকাশ কৰিবলৈ সৰ্বপ্ৰথমে তোমালোকে সচাঁ মুছলমানৰ আদৰ্শ স্থাপন কৰি দেখুৱা আৰু দ্বিতীয় বিষয় হ'ল যে ইছলামৰ সৌন্দৰ্য্য আৰু গুনানুগুন পৃথিৱীত বিস্তাৰ কৰা।

আল্লাহ তায়লা আমালোকক ইয়াৰ অনুযায়ী জীৱণ যাপন কৰাৰ তৌফিক দান কৰক। প্ৰকৃত মুছলমানৰ আদৰ্শ যেন স্থাপন কাৰী হওঁ। সকলো প্ৰকাৰৰ বিৰুধীতাৰ মাজেদি ইছলামৰ সৌন্দৰ্য্য আৰু গুনানুগুন পৃথিৱীত প্ৰচাৰ কৰোঁতা হ'ব পাৰো। প্ৰকৃত ইছলামৰ ৰক্ষণাবেক্ষণ আৰু সত্যতা যেন প্ৰকাশ কৰিব পাৰো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে খোতবা জুমাৰ শেষত মহতৰম মওলানা হেকিম মহম্মদ দ্বীন চাহাব (কাদিয়ান) আৰু মকৰৰম ফজল ইলাহি আনোৰি চাহাব (জাৰ্মানি) আৰু মকৰৰম ইব্ৰাহীম বিন আব্দুল্লাহ আবজুল চাহাব (মৰাক্স) ৰ নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু এওঁলোকৰ পৱিত্ৰ জীৱণ চৰিত্ৰৰ চমু বৰ্ণনা কৰে। আল্লাহ তায়লা এখেত সকলৰ দৰ্জা উন্নীত কৰক। (আমিন)

*********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 17 March 2017**

**BOOK POST (PRINTED MATTER)**

**To**

_______________

_______________

_______________

From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890